# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-07-2025
**Time :** 21-25  Hrs

### ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাত ৰাজ্য চৰকাৰৰ কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ আৰু অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আঁচনিসমূহৰ বৰ্তমানৰ স্থিতি, হিতাধিকাৰীৰ সংখ্যা আৰু তৃণমূল পৰ্যায়ত ইয়াৰ প্ৰভাবৰ পৰ্যালোচনা কৰে। যুৱ প্ৰজন্ম আৰু মহিলাসকলক আৰ্থিক সাহায্য প্ৰদানেৰে আত্মনিৰ্ভৰশীল কৰি তোলাটোৱে এই আঁচনিসমূহৰ মূল উদ্দেশ্য বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই স্বচ্ছ আৰু নিকা পদ্ধতিৰে আঁচনিসমূহৰ সঠিক ৰূপায়ণত গুৰুত্ব আৰোপ কৰে। এই পৰ্যালোচনা বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনত মহিলা সৱলীকৰণৰ লক্ষ্যৰে আৰম্ভ কৰা অৰুণোদয় আঁচনি, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ সফলতা সন্দৰ্ভত আলোকপাত কৰে। ড০ শৰ্মাই মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ কথা উল্লেখ কৰি তামুলপুৰ জিলাৰ হিতাধিকাৰীয়ে মুদ্ৰা ঋণৰ বাবে যোগ্যতা অৰ্জন কৰিছে বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি তামুলপুৰত বিজেপিৰ নতুন জিলা কাৰ্যালয় উদ্বোধন কৰে। তেওঁ লগতে বি টি আৰৰ সমাগত নিৰ্বাচন উপলক্ষে আয়োজিত এখন বিশাল জনসভাতো অংশ লয়। ড০ শৰ্মাই বি টি আৰৰ শান্তি আৰু সম্প্ৰীতিৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ বাবে বিজেপিয়ে শাসনৰ বাঘজৰীৰ পৰিৱৰ্তে সাৰথিৰ ভূমিকাৰে অৱতীৰ্ণ হ'ব বিচাৰে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০

উচ্চতম ন্যায়ালয়ৰ কলেজিয়ামে দুগৰাকী অধিবক্তা আৰু দুগৰাকী ন্যায়িক  বিষয়াক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে নিযুক্তিৰ প্ৰস্তাৱত অনুমোদন জনায়। কলেজিয়ামৰ যোৱা ১ জুলাইত অনুষ্ঠিত বৈঠকত অধিবক্তাদ্বয় অঞ্জন কলিতা, ৰাজেশ মজুমদাৰ আৰু ন্যায়িক বিষয়াদ্বয় প্ৰাঞ্জল দাস আৰু সঞ্জীৱ কুমাৰ শৰ্মাক ন্যায়াধীশ হিচাপে নিযুক্তিত অনুমোদন জনায়।

০০০০

ভূমিস্খলনৰ বাবে বন্ধ হোৱা লামডিং -শিলচৰ ৰে'লপথছোৱা  পুনৰ ৰে'ল চলাচলৰ বাবে মুকলি কৰা হৈছে। ডিমা হাচাও জিলাৰ দিহাখো আৰু মুপা ষ্টেছনৰ মাজৰ ৰে'লপথছোৱা কালি  বৃহৎ শিল আৰু মাটি খহি অহাৰ ফলত এই পথছোৱাৰে ৰেল চলাচল বন্ধ কৰি দিয়া হৈছিল। উত্তৰ-পূৰ্ব সীমান্ত ৰে'লৰে সূত্ৰৰ উদ্ধৃতি দি

আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে, ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত ৰে'লপথৰ পৰা শিল, বালি আঁতৰোৱাৰ পাছত আজি পুৱা ৯ বাজি ৪২ মিনিটৰ পৰা এই ৰে'লপথেৰে পুনৰ ৰে'ল চলাচলৰ অনুমতি দিয়া হয়।

০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ভোগপুৰত আজি বিয়লি হোৱা এটা ট্ৰেক্টৰ দুৰ্ঘটনাত ফুকন স্বৰ্গীয়াৰী নামৰ এজন লোকৰ মৃত্যু হয়। মৃত স্বৰ্গীয়াৰীৰ ঘৰ শালবাৰীৰ ভোগপুৰত বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। বি এছ এফৰ অৱসৰপ্ৰাপ্ত জোৱানজনে আজি ট্ৰেক্টৰেৰে মাটি চলাই পথাৰৰ পৰা পথত উঠিব লওতেই ট্ৰেক্টৰখন বাগৰি যোৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়।

০০০০

ভাষা আন্দোলনৰ ছহিদ ৰণজিৎ বৰপুজাৰীৰ মৃত্যু দিৱসত সদৌ গুৱাহাটী ছাত্ৰ সন্থা আৰু কটন বিশ্ববিদ্যালয় আছু গোটে আজি বিশ্ববিদ্যালয়ৰ বাকৰিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। কটন বিশ্ববিদ্যালয়ৰ আছু গোটৰ সাধাৰণ সম্পাদক কুলদীপ গৌতম শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য অধ্যাপক ড০ ৰমেশ চন্দ্ৰ ডেকাই বন্তি প্ৰজ্বলন কৰে। উপাচাৰ্য্য ডেকাই তেওঁৰ ভাষণত অসমীয়া ভাষাৰ সংৰক্ষণ আৰু বিকাশৰ বাবে ল'বলগীয়া কিছু পদক্ষেপৰ কথা উল্লেখ কৰে।

০০০০

গোলাঘাটৰ শান্তিপুৰৰ পৰা আজি আৰক্ষীয়ে আমীৰ খান আৰু জোনমণি বেগম নামৰ দুগৰাকী ড্ৰাগছ ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে দুয়োকে নিজা বাসগৃহৰ পৰা আটক কৰাৰ লগতে বুজন পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ উদ্ধাৰ কৰে।

০০০০

ধুবুৰী জিলাৰ চাপতগ্ৰাম থানাৰ অন্তৰ্গত ৰাণীগঞ্জৰ হেলাগাৰী অঞ্চলত আৰক্ষীয়ে আজি অভিযান চলাই নিচাযুক্ত ঔষধসহ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ব্যক্তি দুজন বিলাসীপাৰা থানাৰ অন্তৰ্গত আজাৰা গাঁৱৰ অপিজুল হক আৰু চাপিদুল হক বুলি চিনাক্ত কৰা হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই ইয়াৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি কাইলৈ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত বি বি চিৰ নতুন দিল্লীস্থিত সম্পাদনা মেজৰ সাংবাদিক শচীন গগৈৰ সৈতে এটা মুকলি বাৰ্তালাপ প্ৰচাৰ কৰিব। শ্ৰী গগৈৰ সৈতে এই অন্তৰংগ বাৰ্তালাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

কলকাতাত অনুষ্ঠিত কে ৱান এমেচাৰ অপেন ছেম্পিয়নশ্বিপ ২০২৫ত শিৱসাগৰৰ নিবিড় গগৈয়ে সোণৰ পদক লাভ কৰিছে। যোৱা ২৮ আৰু ২৯ জুনত কলকাতাৰ বেলুৰত এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। শিৱসাগৰ নগৰৰ গেৰিলা কম্বেত একাডেমীত কিক বক্সিঙৰ প্ৰশিক্ষণ গ্ৰহণ কৰা নিবিড়ৰ এই সফলতাত শিৱসাগৰৰ ক্ৰীড়া সংগঠন আৰু বিদ্যালয়ে অভিনন্দন জ্ঞাপন কৰিছে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত চলি থকা দ্বিতীয় টেষ্টমেচৰ আজি তৃতীয় দিনা ভাৰতৰ প্ৰথম ইনিংছৰ ৫৮৭ ৰানৰ প্ৰত্যুত্তৰত ইংলেণ্ডে চাহ বিৰতিৰ পৰলৈকে ৫ উইকেটৰ বিনিময়ত ৩৫৫ ৰান সংগ্ৰহ কৰে।

কালি ৩ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৭৭ ৰানৰ পৰা ইংলেণ্ডে প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি সোনকালে জো ৰুট আৰু অধিনায়ক বেন ষ্টকছৰ উইকেট হেৰুৱায়। ইয়াৰ পাছত জেমি স্মিথ আৰু হেৰী ব্ৰুকে সুন্দৰ খেল প্ৰদৰ্শন কৰি শতক অৰ্জন কৰে ।

বাতৰি যুগুতোৱাৰ পৰলৈকে ইংলেণ্ডে প্ৰথম ইনিংছত ৬ টা উইকেট হেৰুৱাই ৩৯৪ ৰান সংগ্ৰহ কৰি খেলি আছিল।

০০০০

ঃঃ সমাপ্ত ঃঃ